**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বাবে ড০ বসন্ত কুমাৰ গোস্বামী সভাপতি হিচাপে নিৰ্বাচিত হৈছে। গোস্বামীয়ে ৪০৩টা ভোট লাভ কৰাৰ বিপৰীতে ড০ উপেন ৰাভা হাকাছামে ৩২৫টা ভোট লাভ কৰিছে। একেদৰ উপ-সভাপতি পদত পদুম ৰাজখোৱাই ৩৮৯টা ভোট লাভ কৰি জয়ী হয়। বিপিন কলিতাই ২৪৩টা আৰু চহিৰ ভূঞাই ৯৯টা ভোট লাভ কৰে। প্ৰধান সম্পাদক পদত অজিত প্ৰসাদ শৰ্মাক পৰাজিত কৰি দেৱজিত বৰা জয়ী হৈছে। দেৱজিত বৰাই ৪০৫টা ভোট লাভ কৰাৰহ বিপৰীতে অজিত প্ৰসাদ শৰ্মাই ২৪০টা ভোট লাভ কৰে। আজি এই নিৰ্বাচনৰ বাবে দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত ভোটগণনা অনুষ্ঠিত হয়। আজি নিশাৰ ভাগতে নিৰ্বাচনী বিষয়াই ফলাফলসমূহ আনুষ্ঠানিকভাৱে ঘোষণা কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা ড০ বসন্ত কুমাৰ গোস্বামীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ লগতে সভাৰ বিভিন্ন বিষয়বাবত নৱনিৰ্বাচিত প্ৰতিগৰাকী ব্যক্তিকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে বিশিষ্ট সাহিত্যিকগৰাকীৰ বলিষ্ঠ ভূমিকাত অসম সাহিত্য সভাই নতুন গতি লাভ কৰিব। অসমৰ ভাষা-সাহিত্য সংস্কৃতিক বিশ্বমুখী কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বিভিন্ন পৰিকল্পনা লৈ আগবাঢ়ি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ooooo

দৰং জিলাত বিগত বছৰতকৈ চলিত বছৰত পথ দুৰ্ঘটনা হ্ৰাস পোৱা বুলি জিলা পৰিবহন বিভাগে প্ৰকাশ কৰিছে। বিভাগীয় তথ্যৰ উদ্ধৃতি দি আমাৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে প্ৰকাশ কৰা মতে বিগত বৰ্ষত ৩১১টা পথ দুৰ্ঘটনা সংঘটিত হৈছিল। এই বছৰ যোৱা ২৬ ডিচেম্বৰ পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি জিলাখনত ২৩৬টা পথ দুৰ্ঘটনা সংঘটিত হৈছে। একেদৰে দুৰ্ঘটনাত আহতৰ সংখ্যা পূৰ্বৰ বছৰৰ ২৬২ৰ পৰা ২১৪লৈ হ্ৰাস পাইছে। দুৰ্ঘটনাৰ ফলত হোৱা মৃত্যুৰ সংখ্যাও পূৰ্বৰ বছৰৰ ১২৯ৰ পৰা ১০৪লৈ হ্ৰাস হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিছে। ষষ্ঠ অনুসূচীৰ এলেকা আৰু পৌৰ নিগমৰ এলেকাসমূহক বাদ দি এই তালিকা প্ৰকাশ কৰা হৈছে। ২৭ খন জিলাত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ মুঠ ভোটদাতাৰ সংখ্যা এক কোটি ৮০ লাখ ১৪ হাজাৰ ৯১৩। ইয়াৰে ৯০ লাখ ৬০ হাজাৰ ৬৪০ জন পুৰুষ আৰু ৮৯ লাখ ৫৩ হাজাৰ ৮৬৫ গৰাকী মহিলা ভোটদাতা। লগতে ৪০৮ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটদাতাসকলে ৩৫৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, ২ হাজাৰ ১৯২ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৯২০টা ৱাৰ্ডৰ বাবে ভোটদান কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়, জিলা পৰিষদ, গাঁও পঞ্চায়ত অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ ভোটদাতাসকলে ভোটদাতাৰ তালিকাত নাম পৰীক্ষা কৰিব

পাৰিব। ইয়াৰ লগতে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইটযোগেও ভোটদাতাৰ তালিকাত নিজৰ নাম চাব পাৰিব। চূড়ান্ত ভোটদাতাৰ তালিকাত ফটোযুক্ত পৰিচয় পত্ৰৰ নম্বৰ প্ৰদান কৰিও নিজৰ নাম পৰীক্ষা কৰিব পাৰিব।

০০০০০

গোলাঘাট জিলাৰ খুমটাইত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তৃতীয় পৰ্যায়ত খুমটাই উদ্ভিদ আৰু পুষ্প মহোৎসৱৰ আয়োজন কৰা হৈছে। মন্ত্ৰী অতুল বৰাই আজি বিধায়ক মৃণাল শইকীয়াৰ সৈতে এই উৎসৱ সন্দৰ্ভত আলোচনাত মিলিত হয়। এই প্ৰয়াসৰ জৰিয়তে ৰাইজে নতুন অভিজ্ঞতা লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উদ্ভিদ আৰু ফুলৰ ব্যৱসায়ৰ সৈতে জড়িত যুৱ উদ্যমীসকলক উৎসাহ যোগোৱা তথা ৰাইজৰ হিতাৰ্থে গ্ৰহণ কৰা এনে পদক্ষেপৰ বাবে তেওঁ বিধায়কগৰাকীক ধন্যবাদ জনায়।

০০০০০

বড়ো লেখিকা সংস্থাৰ উদ্যোগত আজি কোকৰাঝাৰ জিলাত বড়ো ভাষাত জনগোষ্ঠীটোৰ লেখিকাসকলে ৰচনা কৰা ১৫খন গ্ৰন্থ উন্মোচন কৰা হয়। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে এই অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। আজি উন্মোচিত গ্ৰন্থসমূহৰ ভিতৰত ৯খন কাব্য সংকলন, দুখন গল্প সংকলন আৰু বাকীকেইখন ৰচনা তথা সমালোচনা গ্ৰন্থ। এই গ্ৰন্থসমূহ অঞ্জু বসুমতাৰী, ভাৰ্জিন জেকব মুছাহাৰী আৰু ড০ ইন্দিৰা বড়োৱে ৰচনা কৰিছে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিনাও কেইবাটাও মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। আজি বিয়লি গ্ৰন্থমেলাথলীত ভিন্ন সাহিত্য ধাৰাৰ গ্ৰন্থ পঠনৰ আনন্দ শীৰ্ষক আলোচনাচক্ৰ সম্পন্ন হয়। আলোচনাত অংশ লৈ বিশিষ্ট সাহিত্যিক-সমালোচক ড০ আনন্দ বৰমুদৈয়ে কয় যে সাহিত্যৰ পৰিমণ্ডল ন-ন ৰূপেৰে প্ৰচসাৰিত হোৱা হেতুকে অধ্যয়নৰ বাবে গ্ৰন্থ নিৰ্বাচন কৰাটো পাঠকৰ গুৰুদায়িত্ব। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ বিভাস চৌধুৰী আৰু ড- প্ৰাঞ্জল শৰ্মা বশিষ্ঠ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ সত্যকাম বৰঠাকুৰ আৰু কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ প্ৰশান্ত চক্ৰৱৰ্ত্তীৰ লগতে কেইবাগৰাকীও আলোচকে অংশগ্ৰহণ কৰে। বিয়লি অনুষ্ঠিত গল্পৰ আবেলি শীৰ্ষক অনুষ্ঠান বিশিষ্ট কথাশিল্পী তথা সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে উদ্বোধন কৰে। গল্পকাৰ, ঔপন্যাসিক গিতালী বৰাই আঁত ধৰা এই অনুষ্ঠানত ফুল গোস্বামী, মণিকা দেৱী, বিপাশা বৰা, মনস্বিনী মহন্তৰ লগতে কেইবাগৰাকীও গল্পকাৰে অংশগ্ৰহণ কৰে। আজি গ্ৰন্থমেলাৰ অন্যান্য কৰ্যসূচীৰ লগতে উপেন্দ্ৰনাথ শৰ্মা সোঁৱৰণী সভাগৃহত হৃদয়মুখী বৰ্ণমালা নামৰ অনুগল্প গোটৰ উদ্যোগত আৰু চন্দ্ৰ প্ৰকাশৰ সহযোগত আয়োজিত সদৌ অসম ভিত্তিত অনুগল্প প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত